নং ঃ ৮০৫/২০২০

# মুখ্যমন্ত্ৰীয়ে শুভ উদ্বোধন কৰিলে অৰুণোদয় আঁচনি

## বৃহত্তম প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ আঁচনিখনে মহিলা সৱলীকৰণত উল্লেখযোগ্য ভূমিকা ল'বলৈ সক্ষম হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১ ডিচেম্বৰ ঃ** মহিলা সৱলীকৰণৰ প্ৰতি ৰাজ্য চৰকাৰৰ থকা দায়বদ্ধতাক আৰু এখোজ আগুৱাই নিয়াৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি আমিনগাঁৱৰ নুমলী জলাহ পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত এক অনুষ্ঠানত অৰুণোদয় নামৰ বৃহত্তম প্ৰত্যক্ষ হস্তান্তৰ লাভালাভ আঁচনিখনৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে এই আঁচনিৰ জৰিয়তে বৰ্তমান ১৭ লাখ পৰিয়াল উপকৃত হ'ব। ৰাজ্য চৰকাৰে এই আঁচনিৰ অধীনত প্ৰতিমাহে পৰিয়ালৰ মহিলা গৰাকী নামত থকা বেংক একাউন্টত ৮৩০ টকাকৈ প্ৰত্যক্ষ হস্তান্তৰ কৰা হ'ব। বিটিচি নিৰ্বাচনৰ পিছত এই আঁচনিখনৰ জৰিয়তে ২২ লাখ পৰিয়ালক সামৰি লোৱা হ'ব। ৰাজ্য চৰকাৰে আঁচনিখন ৰূপায়ণৰ বাবে প্ৰতি বছৰে ২৪০০ কোটি টকা ব্যয় কৰিব।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে জনসাধাৰণৰ প্ৰতি সংবেদনশীল হৈ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা বৃহত্তৰ অসমীয়া জাতিটোক মৰ্যাদা সহকাৰে একবিংশ শতিকাত আগুৱাই নিয়াৰ সংকল্প গ্ৰহণ কৰি কামত আত্মনিয়োগ কৰিছে। ২০১৬ চনৰ পৰাই সকলো শ্ৰেণীৰ ৰাইজক আস্থা আৰু বিশ্বাসত লৈ সকলোৰে সম-উন্নয়নৰ বাবে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে যিবোৰ আঁচনি হাতত লৈছে এই আঁচনিবোৰ আজি তৃণমূল পৰ্যায়ত সফল ৰূপত ৰূপায়ণ কৰাৰ ক্ষেত্ৰত জনসাধাৰণে উল্লেখযোগ্য সহযোগিতা আগবঢ়াইছে। জনসাধাৰণৰ সহযোগিতাৰ বাবেই বৰ্তমানৰ ৰাজ্য চৰকাৰে এখনৰ পিছত আন এখন অভিলাষী আঁচনিৰ কাম হাতত ল'বলৈ সক্ষম হৈছে। জনসাধাৰণে হৈছে চৰকাৰখনৰ মনোবল বৃদ্ধিৰ প্ৰধান আধাৰ। জনসাধাৰণে সকলো সময়তে এইখন চৰকাৰক অতি মৰম, স্নেহ আৰু আন্তৰিকতাৰে আকোঁৱালি লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সাৰ্বজনীন নীতিৰ দ্বাৰা বৰ্তমানৰ চৰকাৰখনে প্ৰতিখন আঁচনিৰ দ্বাৰা প্ৰতিটো জাতি-জনগোষ্ঠী, ভাষা-ভাষী, ধৰ্মাৱলম্বী লোকক মৰ্যাদা প্ৰদান কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰৰ কোনো বৈষম্য নীতি নাই। বহু অপশক্তিয়ে ভাৰতীয় জনতা পাৰ্টিক নানা ধৰণৰ অপবাদ দিবলৈ অহৰহ অপচেষ্টা চলাই আছে। চৰকাৰখনে সকলো জাতি-জনগোষ্ঠীক সন্মান আৰু মৰ্যাদা প্ৰদান কৰিছে। তেওঁ কয় যে এই চৰকাৰে সকলো সময়তে সংবেদনশীল হৈ জনসাধাৰণে যাতে সন্মান সহকাৰে একবিংশ শতিকাত আগুৱাই যাব পাৰে তাৰ বাবে দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰিছে। সেইবাবে আজি সমাজৰ সকলো শ্ৰেণীৰ ৰাইজ উৎসাহিত হৈছে। সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণে উন্নতিৰ জখলাত বগাবলৈ সক্ষম হৈছে। জনসাধাৰণক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিখন আঁচনি সফল ৰূপায়ণৰ বাবে জনসাধাৰণে চৰকাৰখনলৈ আন্তৰিক সহযোগিতা আগবঢ়াই

আহিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত যিমানখিনি কাম সম্ভৱ হৈছে পূৰ্বৰ কোনো এখন চৰকাৰে এই কাম কৰিবলৈ সক্ষম হোৱা নাছিল। পূৰ্বৰ চৰকাৰসমূহে কোনো দিনে জনসাধাৰণক আন্তৰিকতাৰে গ্ৰহণ কৰা নাছিল। জনসাধাৰণৰ সমস্যা সমাধানৰ বাবে সদিচ্ছা প্ৰকাশ কৰা নাছিল। বৰ্তমানৰ চৰকাৰখনে অসমৰ সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ সমস্যাক অগ্ৰাধিকাৰ দি এই সমস্যা সমাধান কৰিবৰ বাবে যিমানখিনি পদক্ষেপ হাতত লৈছে ইয়াৰ ফলশ্ৰুতিত কম সময়ৰ ভিতৰতে অসমে ভাৰতবৰ্ষৰ বুকুত উল্লেখযোগ্য স্থান দখল কৰিবলৈ সক্ষম হৈছে। সাংবাদিকসকলে চৰকাৰৰ কাম-কাজত চোকা দৃষ্টি ৰাখি যেতিয়া বাতৰি পৰিৱেশন কৰে চৰকাৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰে আৰু তৎপৰতাৰে সেই সমস্যা সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

শদিয়াৰ পৰা ধুবুৰীলৈ প্ৰতিখন জিলাৰ সম-উন্নয়নৰ বাবে চৰকাৰখনে বিভিন্ন ধৰণৰ অভিলাষী আঁচনি ৰূপায়ণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কোনো জিলাকে চৰকাৰে অৱহেলাৰ দৃষ্টিৰে চোৱা নাই। ৰাস্তা-পদূলি, দলং, বিভিন্ন ধৰণৰ শিক্ষানুষ্ঠান, কাৰিকৰী শিক্ষানুষ্ঠান, মেডিকেল কলেজৰ উপৰিও বিভিন্ন স্থানত মহান মনীষীসকলৰ নামেৰে বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ দিশত উল্লেখযোগ্য সফলতা লাভ কৰিছে। অসম চৰকাৰে অসমৰ বুকুত প্ৰতিটো পৰিয়ালে যাতে সন্মান সহকাৰে জীয়াই থাকে, কোনো পৰিয়ালৰ খোৱা-লোৱাৰ অভাৱ নাথাকে তাৰ প্ৰতি লক্ষ্য ৰাখি অৰুণোদয়ৰ দৰে এক অভিলাষী আঁচনি জনসাধাৰণক উপহাৰ দিছে। এইখন আঁচনিৰ যোগেদি প্ৰাপ্য ধন ৰাশিৰে আগন্তুক দিনত প্ৰতিটো পৰিয়ালে শান্তিৰে দুবেলা দুমুঠি খাবলৈ সক্ষম হ'ব আৰু কাৰো ওচৰত হাত নপতাকৈ সন্মান সহকাৰে নিজৰ স্বাভিমান অটুত ৰাখিবলৈ সক্ষম হ'ব। তেওঁ কয় যে মহিলা শক্তি হৈছে পৰম শক্তি। মহিলাসকলক সৱলীকৰণ কৰি ভাৰতবৰ্ষক বিশ্বৰ বুকুত অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ যাত্ৰাত প্ৰধানমন্ত্ৰীয়ে উদ্যোগ গ্ৰহণ কৰিছে। তাৰ বাবে মহিলা সৱলীকৰণ আঁচনি প্ৰতিখন ৰাজ্যত সৰল ৰূপত ৰূপায়ণ কৰাৰ বাবে তেখেতে পৰামৰ্শ দিছে। ইয়াৰ ফলত আজি অসমতো শ্বহীদ কনকলতা মহিলা সৱলীকৰণ আঁচনি, ইন্দিৰা মিৰি বৃদ্ধা পেঞ্চন আঁচনিকে ধৰি বিধৱা পেঞ্চনৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ আঁচনিবোৰৰ জৰিয়তে মহিলাসকলক সৱল কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। অৰুণোদয় আঁচনিও মহিলা সকলৰ হাততে অৰ্পণ কৰা হৈছে। এই আঁচনিৰ জৰিয়তে এগৰাকী মহিলাই তেওঁৰ পৰিয়াল সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা ল'ব পাৰিব। মহিলাগৰাকী যদি আৰ্থিকভাৱে সৱল হয় সেই পৰিয়ালটোৱে নিশ্চিতভাৱে সমাজৰ বুকুত সন্মান সহকাৰে আগুৱাই যাব পাৰে। অসম চৰকাৰৰ তৰফৰ পৰা সেইবাবে মহিলাসকলে যাতে সকলো সময়তে স্বাৱলম্বী হয়, স্বাভিমান লৈ নিজৰ পৰিয়ালটো শক্তিশালী ৰূপত গঢ় দিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি অৰুণোদয়ৰ দৰে অভিলাষী আঁচনি মহিলাসকলৰ নামত উৎসৰ্গা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে শ্বহীদ কনকলতা মহিলা সৱলীকৰণৰ আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ জৰিয়তে প্ৰায় ২৬ লাখ মহিলালৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। ইয়াৰ ভিতৰত ৫৮ হাজাৰ

মহিলা আত্মসহায়ক গোটে বিভিন্ন সামগ্ৰী বিক্ৰী কৰি এবছৰতে ৯১৫ কোটি টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে। ইয়াৰ যোগেদি মহিলা সকলে নিজৰ শক্তি প্ৰদৰ্শন কৰিছে আৰু মহিলা সকলৰ একগ্ৰতা, দৃঢ়তা, আৰু কৰ্মউদ্যোগী মন প্ৰকাশ পাইছে। অসমৰ বুকুত বসবাস কৰা প্ৰায় ৭০ লাখ পৰিয়ালৰ মহিলাসকলে যদি এনেধৰণে স্বাৱলম্বী হয়, শক্তিশালী হয়, এইখন অসমে ভাৰতবৰ্ষৰ বুকুত আত্মনিৰ্ভৰ অসম হোৱাৰ ক্ষেত্ৰত আৰু সৰহ দিন নালাগিব। এইখন অসম ভাৰতবৰ্ষৰ বুকুত শ্ৰেষ্ঠ, উন্নত ৰাজ্য হিচাপে গঢ় দিব লাগিলে আমি নিশ্চিতভাৱে উঠি অহা আমাৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ প্ৰতি ধাউতিশীল কৰি তুলিব লাগিব। মুখ্যমন্ত্ৰীয়ে শিক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ সম্পৰ্কেও আলোকপাত কৰে। অৰুণোদয় আঁচনিখন ভাৰতবৰ্ষৰ ভিতৰতে এখন বৃহত্তম আঁচনি বুলি উল্লেখ কৰি এই আঁচনিখন ৰূপায়ণৰ বাবে বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিত্ত বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে লোৱা ভূমিকাৰ বাবে মুখ্যমন্ত্ৰীয়ে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য, শিক্ষা ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অৰুণোদয় আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে ৰাজ্যৰ ২২ লাখ পৰিয়ালে মাহেকীয়া আয় লাভ কৰাটো সুনিশ্চিত কৰিব বিচাৰিছে। তেওঁ কয় যে আঁচনিখনৰ জৰিয়তে বিধৱা, অবিবাহিত মহিলা, বিবাহ বিচ্ছেদিত মহিলা, দিব্যাংগই  বিশেষ অগ্ৰাধিকাৰ লাভ কৰিব। আঁচনিখনৰ জৰিয়তে মহিলা সবলীকৰণৰ বাবে প্ৰয়াস চলোৱা হৈছে। মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে ৭ লাখ ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়াকৈ নামভৰ্তিৰ সুযোগ লাভ কৰিছে।  তেওঁ লগতে ৰাজ্যৰ শৈক্ষিক খণ্ডৰ বিকাশৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়েও আলোকপাত কৰে। আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী গৰাকীয়ে কিছু সংখ্যক হিতাধিকাৰী অনুমোদন পত্ৰ প্ৰদান কৰে।

বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ সিনহাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংসদ কুইন ওজাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে সুমন হৰিপ্ৰিয়া, সত্যব্ৰত কলিতা, প্ৰণৱ কলিতা, ৰেকিবুদ্দিন আহমেদ, বিত্ত বিভাগৰ আয়ুক্ত সচিব শ্যাম জগন্নাথন আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**১/১২/২০২০**